# নোকোৱাৰ পৰিণাম

**পাঠ: ৬**

## ‘ ক ’ পাঠভিত্তিক ক্রিয়া

**প্রশ্ন১।‘নাােকোৱাৰ পৰিণাম’নাটিকাখনিৰ কথাখিনি কাহিনী আকাৰে লিখা ।**

উত্তৰঃ গ্ৰীষ্ম বন্ধ ঘাােষণা কৰাৰ দিনা বিদ্যালয়ৰ ছাৰ , বাইদেউসকলক ফুলৰ মালাৰে সম্ভাষণ জনাব বুলি গাঁৱৰ একেবাৰে দক্ষিণ মূৰত থকা বকুল ফুলজোপাৰ তলত বকুল ফুল বুটলিবৰ বাবে একে বিদ্যালয়ৰ কাণসমনীয়া ছাােৱালী মালতী , শৈলবালা আৰু বৰষা বকুল তললৈ গৈছিল । সেইদিনা সিহঁতে ফুল বেছিকৈ বুটলিবৰ ইচ্ছা কৰিছে , কাৰণ পিছদিনা গ্ৰীষ্ম বন্ধ ঘাােষণাৰ দিন । তিনিও কথা – বতৰা পাতি ফুল বুটলি থাকোতে পলম হ’ব বুলি ততাতৈয়াকৈ স্কুললৈ যাবৰ বাবে গুচি আহিল ।

 পিছদিনা গ্ৰীষ্ম বন্ধ ঘাােষণা উপলক্ষে বিদ্যালয় প্ৰেক্ষাগৃহত প্ৰীতি মেলৰ বাবে ছাত্ৰ – ছাত্ৰী আৰু শিক্ষক – শিক্ষয়িত্ৰীসকল গাােট খাইছে । বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পূৰবী দাসে ছাত্ৰ – ছাত্ৰীসকলক বন্ধৰ সময়ছাােৱাত মাক – দেউতাকক ঘৰুৱা কাম বনত সহায় কৰাৰ উপৰি পুথিভঁৰাললৈ গৈ দুই – এখন কিতাপ পঢ়াৰ বাবে পৰামৰ্শ দিছে । তাৰ পিছত শিক্ষক বাহাৰুল ইছলামে সাংস্কৃতিক কাৰ্যক্ৰম ঘাােষণা কৰি ছাত্ৰ ছত্ৰীসকলকো সাােণত সুৱগা চৰাইদুই – এষাৰ কোৱাৰ আহ্বান জনালে । ছাত্ৰী মালতীয়ে সতীৰ্থসকলক আহ্বান কৰি ছাৰ বাইদেউসকলক ফুলৰ মালা দিলে আৰু তাৰ পিছত মহাপুৰুষ মাধৱদেৱৰ তেজৰে কমলাপতি’বৰগীতেৰে সাংস্কৃতিক অনুষ্ঠানৰ পাতনি মেলিলে । বৰগীতটোৰ পিছত বিষ্ণু ৰাভাৰ বিলতে হালিছে ’ গীতৰ আধাৰত ৰচিত নৃত্য – আলেখ্য এখন শ্ৰীমতী বৰয়া আৰু তেওঁৰ সতীৰ্থ শৈলবালা আৰু মালতীহঁতে পৰিৱেশন কৰিব বুলি ঘাােষকে ঘাােষণা কৰিলে । শৈলবালা , বৰষা আৰু মালতীয়ে । বিলতে হালিছে ’ গীত আৰম্ভ কৰি নাচি থাকোতেই শৈলবালা মূৰ্ছা গৈ বাগৰি পৰিল । সভাথলীত হুৱা- দুৱা লাগিল , ছাত্ৰ – ছাত্ৰী , শিক্ষক – শিক্ষয়িত্ৰীসকলাে ওচৰ চাপি আহিল । বৰষা আৰু মালতীয়ে শৈলবালাক দাংকোলা কৰি প্ৰধান শিক্ষয়িত্ৰীৰ কোঠালৈ নি শুৱাই দিলে । প্ৰধান শিক্ষয়িত্ৰীয়ে দেখিলে শৈলবালাক বতাহ দিবৰ বাবে বিদ্যুতে নাই । তেওঁ কোনাােবা এজনক বিছনী এখন আনিবলৈ ক’লে ।

এনেতে মালতীয়ে প্ৰধান শিক্ষয়িত্ৰী মহাােদয়াৰ অনুমতি বিচাৰিলে শৈলক চামৰাৰ চেণ্ডেল এপাট শুঙাই দিয়াৰ বাবে । কাৰণ মূচ্ছা গ’লে আইতাকহঁতে তেনে কৰা তাই দেখিছে । প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে এই কথাত ধমক দি মানা কৰিলে । হুনমিলিতে শৈলৰ কথা চিন্তা কৰি কান্দিব ধৰিলে । প্ৰধান শিক্ষয়িত্ৰীয়ে ইছলামৰ হতুৱাই ডাঃ পেগুক

মতাই আনি শৈলক পৰীক্ষা কৰালে । পৰীক্ষা কৰি ডাক্তৰে জনালে যে ছাোৱালীজনীৰ এটা অসুখ আছে , মাক – দেউতাকে হয়তাে জানে ; কিন্তু আনে  ছাোৱালীজনীক বেমাৰী বুলি হাঁহিব বুলি সংকোচ কৰি হয়তাে চিকিৎসাৰ ব্যৱস্থা নকৰি গাােপনে ৰাখিছে । ডাক্তৰে ক'লে যে লাােকনিন্দা আৰু কুসংস্কাৰৰ বাবে বহুতে সন্তান বেমাৰ লুকুৱাই ৰখাৰ যত্ন কৰে । ফলত সিয়েই সৰ্বনাশৰ মূল হৈ পৰে ।

শেষত ডাক্তৰে ঔষদ – পাতি লিখি দি মাক – দেউতাকক বুজাই ক'বলৈ কৈ গ'ল । নাােকোৱাৰ পৰিণাম ভয়ানক বুলি মালতীহতে বুজিলে ।

**প্ৰশ্ন ২। উত্তৰ দিয়া :**

**( ক ) হুনমিলি , শৈলহঁতে কিয় বকুল ফুল বুটলিছিল ?**

উত্তৰঃ পিছদিনা বিদ্যালয়ত গ্ৰীষ্ম বন্ধ ঘাােষণা কৰিব । সেই সময়ত ছাৰ , বাইদেউসকলক বকুল ফুলৰ মালা দিবলৈ হুনমিলি , শৈলীতে বকুল ফুল বুটলিছিল ।

**( খ ) 'চোৱাচোন , ফুলবাােৰ কিমান সতেজ আৰু জীপাল', —কথাৰি কোনে কাক কৈছিল ?**

উত্তৰঃ কথাষাৰি মালতীয়ে হুনমিলিক কৈছিল ।

**( গ ) সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিত কোনটো গীত গাইছিল ?**

উত্তৰঃ সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিত শ্ৰীশ্ৰীমাধৱদেৱ বিৰচিত 'তেজৰে কমলাপতি … ' এই বৰগীতটি গাইছিল ।

**( ঘ ) নাচি থাকোতে কোন মূৰ্ছা গৈছিল ?**

উত্তৰঃ নাচি থাকোতে শৈলবালা মূৰ্ছা গৈছিল ।

**( ঙ ) শৈলবালাই ভুগি থকা বেমাৰটোৰ নাম কি ?**

উত্তৰঃ শৈলবালাই ভুগি থকা বেমাৰটোৰ নাম মৃগী বেমাৰ ।

**( চ ) " সময়ৰ টিকনিডাল হেনাে আগফালে উৰে ' – এই বাক্যশাৰী কোনে কি প্ৰসংগত কৈছিল ?**

উত্তৰঃ মালতী , শৈলবালা আৰু হুনমিলিয়ে ৰাতিপুৱা কথা কৈ কৈ বকুলফুল , বুটলি থাকোতে ন বজাৰ সময় হাে ৱাত স্কুললৈ যাবলৈ দেৰি হ'ব বুলি ভাবি কথা প্ৰসংগত হুনমিলিয়ে শৈলবালা আৰু মালতীক এই বাক্যশাৰী কৈছিল ।

**প্ৰশ্ন ৪। প্ৰসংগ সংগতি লগাই ব্যাখ্যা কৰা :**

**'কু – সংস্কাৰ আৰু লাে ক – নিন্দাৰ ভয়ত অনেক লাে কে সন্তানৰ বেমাৰ লুকৱাই থয় । সময়ত হয়গৈ সৰ্বনাশৰ মূল ।'**

উত্তৰঃ উক্ত কথাষাৰ 'নাে কোৱাৰ পৰিণাম' নামৰ পাঠটিৰ পৰা তুলি অনা  হৈছে । আনক নাে কোৱাকৈ লুকুৱাই ৰাখিলে সৰু বেমাৰেই পিছত দুৰাৰাে গ্য বেমাৰ হাে ৱা প্ৰসঙ্গত ডাঃ কটকীয়ে কথাষাৰ কৈছে ।

শৈলবালা নামৰ ছাে ৱালীজনীৰ হঠাৎ মূৰ্ছা যাে ৱা বেমাৰ আছিল বুলি হয়তাে মাক – দেউতাকে জানিছিল । কিন্তু বেমাৰৰ কথা জানিলে আনে নিন্দা কৰাৰ ভয় বা কু – সংস্কাৰৰ বাবে নাে কোৱাকৈ আৰু চিকিৎসা নকৰাকৈ আছিল । বিদ্যালয়ৰ গৰমৰ বন্ধ ঘাে ষণাৰ দিনা হাে ৱা সাংস্কৃতিক অনুষ্ঠানত শৈলবালাই নাচি থাকোতেই মূৰ্ছা যাে ৱাত গাে পন কথা ডাক্তৰৰ হাতত ধৰা পৰিছিল । শৈলবালাৰ মাক – দেউতাকৰ দৰে বহুতাে মানুহেকু – সংস্কাৰ আৰু লাে ক – নিন্দা বা অন্ধবিশ্বাসৰ বাবে নিজৰ ল'ৰা – ছাে ৱালীৰ বেমাৰ লুকাই ৰাখিব বিচাৰে । কিন্তু লুকাই ৰখা সৰু বেমাৰ পিছলৈ ডাঙৰ বেমাৰ হৈ বিপদত পেলায় । সেই কথাকে কথাষাৰৰ যাে গেদি বুজাবৰ যত্ন কৰা হৈছে ।

**প্ৰশ্ন ৪। মালতীয়ে শৈলবালাক চেঙেল শুঙাবলৈ উদ্যত হওঁতে প্ৰধান শিক্ষয়িত্ৰীয়ে কি বুলি বাধা দিছিল ?**

উত্তৰঃ মালতীয়ে শৈলবালাক চেঙেল শুঙাবলৈ উদ্যত হওঁতে প্ৰধান শিক্ষয়িত্ৰীয়ে সেয়া অন্ধবিশ্বাস বুলি ভাবি " নাই নাই , চেঙেলপাট মুখত লগাবনে ? বনৌষধি কিবা এবিধ লগাে ৱাৰ কথা হলেও বেলেগ কথা— এই বুলি বাধা দিছিল ।

**প্ৰশ্ন৫। দলত আলাে চনা কৰি লিখা –**

**উপযুক্ত সময়ত বেমাৰৰ চিকিৎসা নকৰিলে পৰিণাম কি হ'ব পাৰে ?**

উত্তৰঃ উপযুক্ত সময়ত বেমাৰৰ চিকিৎসা নকৰিলে একোটা সৰু বেমাৰেই গৈ ভয়ংকৰ ৰূপ ধাৰণ কৰে । তেতিয়া সেই বেমাৰ ভাল কৰিবলৈ ডাঙৰ ডাঙৰ ডাক্তৰৰ ওচৰ চাপিব লগীয়া হয় , অত্যন্ত খৰচান্ত হ'বলগীয়া হয় আৰু হয়তাে এনে ব্যৱস্থা লাে ৱাতাে

বেমাৰে জটিলৰূপ ধাৰণ কৰি বেমাৰীক মৃত্যুৰ মুখত পেলাব পাৰে । সেই কাৰণেই উপযুক্ত সময়ত বেমাৰৰ চিকিৎসা কৰাব লাগে ।

## *‘ খ’ ভাষা অধ্যয়ন( ব্যৱহাৰিক ব্যাকৰণ)*

**প্ৰশ্ন৭। তলৰ সম্বন্ধবাচক শব্দকেইটা ভাঙি দেখুওৱা—**

**মাৰা , ভায়েৰা , ভনীয়েৰা , খুৰীয়েকক**

উত্তৰঃ

মাৰা = মা + ৰা

ভায়েৰা = ভাই + এ + ৰা

ভনীয়েৰা = ভনী + এ + ৰা

খুৰীয়েকক = খুৰী + এ + ক + ক

**প্ৰশ্ন ৮। বাঁওফালে দিয়া শব্দবোৰৰ লগত সোঁফালে থকা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ মিলোৱা ।**

উত্তৰঃ

**ক** – **খ**

পান – খিলা

বহী – খন

ল’ৰা – টো

ছাত্ৰী – জনী

মহিলা – গৰাকী

**প্ৰশ্ন ৮। প্ৰত্যয় গঠন কৰা**

উত্তৰঃ

ৰস + আল = ৰসাল ।

ভয় + আল = ভয়াল ।

উম + আল = উমাল ।

খং + আল = খঙাল ।

**প্ৰশ্ন ৯। নাটিকাখনিৰ প্ৰথম দৃশ্যৰ লগত থকা ছবিখন চাই তাত দেখা কথাখিনি বৰ্ণনা কৰা ।**

উত্তৰঃ ই এখনি শস্য – শ্যামলা গাঁৱৰ দোকমা‌োকালি ছবি । ৰাতিপুৱাৰ ফৰকাল পা‌োহৰ ইয়াত পৰিছে । ফুলৰ গছ আৰু শস্যৰ পথাৰ দেখিবলৈ পা‌োৱা গৈছে । দূৰণিত এলানি পাহাৰ । মানুহৰ ঘৰ – দুৱাৰ , গছ – গছনিৰে এখনি সৰু মনা‌োৰম গাঁও । বকুলৰ গছজোপা বৰকৈ ফুলি আছে । তাৰ তলত তিনিজনী ছা‌োৱালীয়ে কথাপাতি হাঁহি ফুৰ্তিৰে তলসৰা বকুল ফুল বুটলি দুটি কৰণিত ভৰাই লৈছে । এগৰাকী বয়সস্থ মহিলাই লাখুঁটিত ধৰি প্ৰাতঃভ্ৰমণ কৰিছে । এজনী ছা‌োৱালী আৰু দুজন ল’ৰাই দুটি কুকুৰক কিবা খাবলৈ দিছে । ওচৰতে শালিকী দুটাই আহাৰ বিচাৰি ফুৰিছে । বহি থকা মানুহ এজনৰ ওচৰতে বৈ এগৰাকী মহিলাই তেওঁৰ লগত কথা পাতি আছে ।

**প্ৰশ্ন ১০। তা‌োমাৰ গাঁৱত বা ওচৰ – চুবুৰীয়াই সৰ্প দংশন , জণ্ডিচ , বসন্ত আদি ৰোগত ভুগিলে তুমি কেনে ধৰণৰ মতামত আগবঢ়াবা আৰু কি ধৰণে সহায় কৰিবা ?**

উত্তৰঃ সৰ্প দংশন , জণ্ডিচ , বসন্ত আদি ৰা‌োগত ভুগিলে অন্ধবিশ্বাসত থাকি জৰা ফুকা , জাব – জৰিৰে ৰা‌োগ ভাল কৰিব নিবিচাৰি ততালিকে ডাক্তৰৰ সহায় ল’ব লাগে । প্ৰয়া‌োজন হলে ১০৮ , ১০২ সেৱাক মাতি ৰা‌োগীক ডাক্তৰৰ ওচৰলৈ নিয়াব লাগে । আজিৰ বিজ্ঞানৰ যুগত বেমাৰৰ উন্নত চিকিৎসা পদ্ধতিৰ আৱিষ্কাৰ হা‌োৱা সত্ত্বেও কিছুমান অন্ধবিশ্বাসী মানুহে জৰা – ফুকা কৰি এনেবা‌োৰ ৰা‌োগ ভাল কৰিবলৈ চাই ৰা‌োগীক মৃত্যু মুখত পেলায় । ই বৰ পৰিতাপৰ কথা ।

**প্ৰশ্ন ১৩ আৰু ১৪ শিক্ষকৰ সহায়ত তালিকা আৰু প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ ছাত্ৰছাত্ৰীসকলে যত্ন কৰিব ।**